# অসম বিধান সভা

## ২০২৬ চনৰ ২২ জুলাইত উত্তৰ দিবলগীয়া

## লিখিত প্ৰশ্ন নং – ৪১৫

**বিষয়ঃ গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে।**

**শ্ৰী দীপক কুমাৰ দাস, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) অসমৰ ব্ৰহ্মপুত্ৰ আৰু অন্যান্য নদ-নদীৰ গৰাখহনীয়াৰ ফলত ৰাজ্যখনত কৃষিভূমি, বাসগৃহ, পথ-দলং, ৰাজহ ভূমি আৰু জনজীৱন বছৰে বছৰে ব্যাপকভাৱে ক্ষতিগ্ৰস্থ হৈ আহিছে। এই পৰিপ্ৰেক্ষিতত গৰাখহনীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কোনো দীৰ্ঘম্যাদী, বিজ্ঞানসন্মত আৰু স্থায়ী ব্যৱস্থা অথবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বহৰি অঞ্চলৰ লগতে ঐতিহ্যপূৰ্ণ ডক্ৰেশ্বৰ দেৱালয়ৰ সুৰক্ষাৰ্থে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কোনো আঁচনি বা প্ৰকল্প গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে জনাব ।

(গ) উক্ত সমষ্টিৰ অন্তৰ্গত গৰাখহনীয়া প্ৰৱণ অঞ্চলসমূহত কি কি প্ৰকল্প অনুমোদিত, ৰূপায়িত বা নিৰ্মাণাধীন হৈ আছে ? জনাব ।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**-উত্তৰ-**

(ক) অসম চৰকাৰৰ জলসম্পদ বিভাগে ৰাজ্যজুৰি বান আৰু খহনীয়াৰ প্ৰতিৰোধৰ বাবে আৰু সংহত জলসম্পদ উন্নয়ন তথা বহনক্ষম আন্তঃগাঁথনি সৃষ্টি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য কেইবাখনো আঁচনি গ্ৰহণ কৰিছে। বৰ্তমানলৈ জলসম্পদ বিভাগে প্ৰায় ৪৮২৪ কিলোমিটাৰ মথাউৰি নিৰ্মাণ, ১৪৩০ টা খহনীয়া প্ৰতিৰোধী আৰু চহৰ সুৰক্ষাৰ কাম; ১৪৬ খন ডাঙৰ স্লুইচ আৰু ৫৪৫ খন সৰু স্লুইচ, ১৫০৮ কিলোমিটাৰ মথাউৰি ওখ আৰু সবলীকৰণৰ আঁচনি সম্পূৰ্ণ কৰিছে।

*Contd..p/2*

ইয়াৰে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰায় ২৬০ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ, ৩৭১ কিলোমিটাৰ মথাউৰি ওখ আৰু সবলীকৰণ, ১৩৭ কিলোমিটাৰ খহনীয়া প্ৰতিৰোধী আঁচনি গ্ৰহণ কৰিছে।

অসম চৰকাৰে বিভিন্ন কেন্দ্ৰীয় সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ (যেনে বিশ্ব বেংক আৰু এছিয়ান ডেভেলপমেণ্ট বেংক) সহযোগত অসমৰ বান আৰু খহনীয়া প্ৰশমনৰ বাবে নদী অৱবাহিকা ভিত্তিক (Basin-wise) আৰু জিলা ভিত্তিক কেইবাখনো গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদী প্ৰকল্প হাতত লৈছে।

**World Bank:** বিশ্ববেংকৰ ১৩৫ মিলিয়ন ডলাৰ (প্ৰায় ১১০৫ কোটি টকা) ঋণেৰে Assam Integrated River Basin Mangement Programme (AIRBMP) Phase-I আঁচনিৰ অধীনত ব্ৰহ্মপুত্ৰৰ দুখন উপনৈ বুঢ়ীদিহিং আৰু বেকী নদী অৱবাহিকাক সামৰি বৈজ্ঞানিক পদ্ধতিৰে বান তথা খহনীয়া প্ৰতিৰোধী কাম চলাই থকা হৈছে।

AIRBMP, Phase-II ৰ অধীনত কলং-কপিলী-কিলিং, দিচাং-দিখৌ, আই- মানস আৰু পুথিমাৰী ইত্যাদি গুৰুত্বপূৰ্ণ উপনৈ সমূহকো অৱবাহিকা ভিত্তিক পৰিকল্পনাৰ অধীনলৈ অনাৰ প্ৰক্ৰিয়া চলি আছে।

**ADB:** ADBৰ ২৫৫ মিলিয়ন ডলাৰ (প্ৰায় ২০৯৮ কোটি টকা) ঋণসাহায্যৰে Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project (CRBIFRERMP) ৰ অধীনত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত প্ৰথম পৰ্যায়ত ডিব্ৰুগড়-তিনিচুকীয়া (Zone-A), মৰিগাঁও (Zone-B), কামৰূপ গ্ৰাম্য (Zone-C) আৰু গোৱালপাৰা (Zone-D)ত গৰাখহনীয়া প্ৰতিৰোধৰ কাম হাতত লোৱা হৈছে আৰু এই কাম পুৰ্ণগতিত চলি আছে।

ইয়াৰে Phase-II ৰ অধীনত ২৩২ মিলিয়ন ডলাৰ (প্ৰায় ২০৮৫ কোটি টকা) ঋণেৰে অন্য ১২টা জলসম্পদ সংমণ্ডলৰ কামৰ নিবিদা অন্তিম পৰ্য্যায়ত আছে।

ইয়াৰ উপৰিও বহুতো Soft Components আৰু Nature Based Solution ৰ ব্যৱহাৰে বান আৰু খহনীয়াৰ দীৰ্ঘম্যাদী প্ৰশমণৰ দিশে আগবঢ়াৰ লগতে Flood Forecasting and Early Warning System কো অগ্ৰধীকাৰ দিয়া হৈছে।

(খ) ডক্ৰেশ্বৰ অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে RIDF-XXIX (2023-24) আৰু NIDA (2023-24) ৰ অধীনত দুখন আঁচনিৰ কাম সম্পন্ন কৰিছে। আঁচনি দুখন হল-

1) "Pro-Siltation measures to protect B/Dyke from Bahari to Baghbar at Dokreswar Belortary area on R/B of river Brahmaputra. (Estimated Cost: 450.00 L)

2) Construction of retirement of B/Dyke from Bahari to Baghbar (Breach Closing) along with Protection works at Dokreswar area (From Ch. 45046 M to 45826 M). (Estimated Cost: 1500.00 L)

(গ) বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত গৰাখহনীয়া প্ৰবন অঞ্চল সমূহত জলসম্পদ বিভাগৰ দ্বাৰা অনুমোদিত, ৰূপায়িত বা নিৰ্মণাধীন হৈ থকা প্ৰকল্প সমূহৰ সবিশেষ তথ্য **"Annexure-I"** ত উল্লেখ কৰা হল।

**(উত্তৰসমূহ "Annexure-I" ৰ সৈতে অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)**

***************

# Annexure-I

Dy No 15 | Annexure-I

**LIST OF SCHEMES TAKEN UP IN BARPETA LAC BY W.R. DEPARTMENT**

| Sl No | Head of Account | LAC | Name of Scheme | Saction Amount (Rs. In Lakh) | Physical Progress as on 01-07-2026 | Financial Progress as on 10-07-2026 | Remarks |
|---|---|---|---|---|---|---|---|
| 1 | NABARD XXXI (2025-26) | Barpeta | Restoration Of DRDA Bund Of River Buradiya Including A/E measures to Protect Village Kalatoli, Batiya On its L/B. | 950.00 | 65% | 30.19% | |
| 2 | NABARD XXXI (2025-26) | Barpeta | Restoration Of DRDA Bund Of River Tihu to Protect Village Batiya, Khairartari & Kawaimari No.6 Block On its L/B. | 820.00 | 47% | 30.22% | |
| 3 | NABARD XXXI (2025-26) | Barpeta | Restoration Of DRDA Bund Of River Tihu including AE measures to Protect Village Medhittari No.5 Block. Kawaimari No.6 Block & Kawaimari No.7 Block on its R/B. | 770.25 | 44%<br>52% | 30.22% | |
| 4 | SOPD-G (2025-26) | Barpeta | A/E measures to protect B/Dyke at Bahari Parghat and Bahari Satra area from the erosion of river Brahmaputra on it's Right bank. | 180.00 | 80% | Nil | |
| 5 | SOPD-G (2025-26) | Barpeta | Protection of Nashatra (Fulbari) village from the erosion of river Alpajan on its L/B. | 450.00 | 37% | Nil | |
| 6 | Asian Development Bank | Chenga, Barpeta & Mandia | Climate Resilient Brahmaputra Integrated flood and river bank erosion risk management project in Assam protection of B/Dyke under Barpeta W.R. Division (Ph-I) | 11325.00 | Nil | Nil | |

17/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29